

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

ইতিহাস

পাঠ - ৪

ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমত জাতীয় জাগৰণ

অংশ – ৮

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দীঘল উত্তৰৰ প্ৰশ্ন —

১। অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ ভূমিকা আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৩৬ চনৰ পৰা অসমত চৰকাৰীভাৱে বাংলা ভাষাৰ প্ৰয়োগ কৰা হৈছিল। যাৰ ফলত স্কুল, অফিছ-কাছাৰী, আদালত সকলোতে বাংলা ভাষাৰে প্ৰচলন আছিল। কিন্তু স্বদেশ প্ৰীতি আৰু জাতীয়তাবাদী ভাৱধাৰাৰে অনুপ্ৰাণিত এচাম শিক্ষিত লোকৰ নেৰা-নেপেৰা প্ৰচেষ্টাৰ ফলত ১৮৭৩ চনত অসমীয়া ভাষাক পুনৰ চৰকাৰে মান্যতা দিয়ে। তৎসত্ত্বেও বাংলা ছপাশালত অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ ওপৰত আক্ৰমণ ১৮৮০-৮৫ চনলৈকে চলিয়ে আছিল। বাংলা ভাষাৰ আগ্ৰাসন বিৰুদ্ধে আৰু অসমীয়া ভাষা আৰু সাহিত্য উন্নয়নৰ হকে সেই সময়ৰ কলিকতাত থকা অসমীয়া ছাত্ৰসকলে পুনৰ সংগঠিত হোৱাৰ পৰিকল্পনা কৰিছিল।

সেই উদ্দেশ্যে ১৮৮৮ চনত অসমীয়া ভাষা উন্নতি সাধিনী সভা (অঃ ভাঃ উঃ সাঃ) গঠিত হৈছিল। এই সভা গঠনত উদ্যোগ লোৱা ছাত্রসকল আছিল হেমচন্দ্র গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, কনক লাল বৰুৱা, চন্দ্র কুমাৰ আগৰৱালা আৰু ৰমাকান্ত বৰকাকতি।

এই সভাই অসমীয়াসকলৰ মাজত একতা আৰু জাতীয়তাবাদ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। এই সভাই অসমীয়া ভাষাৰ এক শক্তিশালী বিজ্ঞানসন্মত উত্তৰণৰ লগতে অসমৰ সকলো পাঠশালাত পৰিশুদ্ধ আৰু উন্নতমানৰ ব্যাকৰণ প্রয়োগৰ বাবে প্রদক্ষেপ গ্রহণ কৰিছিল।

তদুপৰি এই সভাই অন্যান্য ভাষাৰ উল্লেখনীয় পুথিসমূহ অসমীয়া ভাষালৈ অনুবাদ কৰাৰ কামো হাতত লৈছিল। এই সভাৰ প্ৰচেষ্টাতে হেমচন্দ্ৰ বৰুৱাই "হেমকোষ" প্ৰকাশৰ কাম হাতত লৈছিল।

"অসমীয়া ভাষা উন্নতি সাধিনী সভা"ই বুৰঞ্জী, সংস্কৃত, সাহিত্য আৰু ভাষা সম্পৰ্কে নিজৰ মাজতে বৌদ্ধিক আলোচনা অব্যাহত ৰখিছিল আৰু অসমৰ বিভিন্ন প্ৰান্তত ইয়াৰ শাখা প্ৰতিষ্ঠাৰ বাবে চেষ্টা চলাইছিল।

তাৰোপৰি এই সভাৰ দ্বাৰা প্ৰকাশিত আলোচনী "জোনাকী"য়ে অসমত এটা নতুন যোগৰ সূচনা কৰিছিল।

২। অসম ছাত্র সম্মিলনৰ অৱদানৰ বিষয়ে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসম ছাত্ৰ সন্মিলন ১৯১৬ চনত গঠন হৈছিল। গুৱাহাটীত বহা ইয়াৰ প্ৰথমখন অধিৱেশনত সভাপতিত্ব কৰিছিল লক্ষ্মীনাথ বেজবৰুৱাদেৱে। এই সন্মিলনৰ মুখ্য উদ্দেশ্য আছিল অসমীয়া ভাষাৰ উন্নতি সাধন কৰা।

ছাত্ৰ সন্মিলনে অসমৰ বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ লগত মত আদান-প্ৰদান কৰি এক সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা কৰিছিল।

এই সন্মিলন প্ৰথম অৱস্থাত ৰাজনীতিৰ লগত জড়িত নাছিল যদিও পিছলৈ দেশৰ জাতীয় আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ছাত্ৰ সন্মিলনৰ মুখ্য পত্ৰ আছিল মিলন। ইয়াত প্ৰকাশিত বিভিন্ন প্ৰৱন্ধ লেখা আদিয়ে অসমৰ শিক্ষা, সাহিত্য-সংস্কৃতি, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু জাতীয় চেতনা গঢ় দিয়াত যথেষ্ঠ অৱদান আগবঢ়াইছিল।

ছাত্ৰ সন্মিলনৰ বাৰ্ষিক অধিৱেশনসমূহত বিখ্যাত সাহিত্যিক, চিন্তাবিদ, ৰাজনীতিবিদ সকলে অংশ গ্ৰহণ কৰি জ্ঞানসমৃদ্ধ আৰু জাতীয়তাবাদেৰে পুষ্ট বক্তৃতাৰে জনসাধাৰণক আকৰ্ষিত কৰিছিল। সেইসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোঁহাইবৰুৱা, আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়, কৃষ্ণকান্ত সন্দিকৈ ইত্যাদিয়ে প্ৰধান।

৩। ৰায়ত সভাসমূহৰ উদ্দেশ্য আৰু ভূমিকা সম্পৰ্কে এটি খতিয়ান দাঙি ধৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯ শতিকাৰ শেষৰ ফালে কৃষকৰ বিভিন্ন সমস্যা সমাধানৰ অৰ্থে তেজপুৰত ৰায়ত সভা আৰু নগাঁৱত ৰায়ত সভা গঠন কৰা হৈছিল।

ৰায়ত সভাৰ উদ্দেশ্য আছিল —

(ক) গ্ৰেজিং কৰ বন্ধ কৰা,

(খ) মাটিৰ খাজনা হ্ৰাস কৰা,

(গ) পূৰ্ৱ বংগৰ পৰা হোৱা প্ৰব্ৰজন ৰোধ কৰা।

ৰায়ত সভাৰ ভূমিকাঃ—

ৰায়ত সভাই অসমত ব্ৰিটিছ চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তিত নতুন ভূমি নীতি আৰু ৰাজহ ব্যৱস্থাৰ বিৰোধিতা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অৱশ্যে ১৮৬১-১৮৯৩ চনলৈ ভূমি ৰাজহৰ প্ৰতিবাদত কৃষকৰ দ্বাৰা উত্তৰ কামৰূপকে ধৰি অন্য ঠাইত হোৱা প্ৰতিবাদত ৰায়ত সভাই কোনো ভূমিকা লোৱা নাছিল।

১৯৩০-৩৪ চনৰ আইন আন্দোলনৰ সময়ত অসম কংগ্ৰেছ সমিতিৰ তত্ত্বাৱধানত অসমত ৰায়ত সভাসমূহ পুনৰ সক্ৰিয় হৈ উঠিছিল। এইবিলাকৰ ভিতৰত নদুৱাৰ, ছয়দুৱাৰ, শিৱসাগৰ আৰু দৰংৰ ৰায়ত সভাবোৰ উল্লেখযোগ্য। আইন আন্দোলনৰ কাৰ্যসূচীৰ আৰ্হিত অসমত ৰায়ত সভাই ৫০% ভূমিৰ ৰাজহ হ্ৰাস কৰাৰ বাবে দাবী জনাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৯৩৪ ৰ পৰা ১৯৩৯ চনৰ ভিতৰত অসমত প্ৰায় ৩০০ খন ৰায়ত সভা গঢ়ি উঠিছিল।কংগ্ৰেছ মন্ত্ৰীসভা গঠন হোৱাত ১৯৩৯ চনৰ পৰা অসমত ৰায়ত সভাসমূহৰ কাম-কাজ নোহোৱা হৈ পৰিল আৰু বিভিন্ন অঞ্চলৰ ৰায়ত সভাসমূহ কংগ্ৰেছ সমিতিত বিলীন হৈ পৰিল।

৪। যোৰহাট সার্বজনিক সভাৰ উদ্দেশ্য আৰু কার্যাৱলী সম্পর্কে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- যোৰহাট সার্বজনিক সভাৰ উদ্দেশ্যসমূহ হ'ল —

(ক) ৰাইজৰ আশা, আকাংক্ষাৰ বিষয়ে চৰকাৰক অৱগত কৰা,

(খ) চৰকাৰৰ উদ্দেশ্য নীতি জনসাধাৰণক বুজোৱা,

(গ) জনসাধাৰণৰ অৱস্থাৰ উন্নতি সাধন কৰা।

যোৰহাট সার্বজনিক সভাৰ কার্যাৱলীসমূহ হ'ল —

(ক) ১৮৮৬ চনৰ চৰকাৰৰ ভূমি ৰাজহ ব্যৱস্থাৰ বিৰুদ্ধে প্রতিবাদ সাব্যস্ত কৰিছিল।

(খ) ১৮৯২-৯৩ চনৰ সভাই কৃষক সমাজৰ লগত একেলগে বর্ধিত কৰৰ বিৰোধ কৰিছিল।

3)(গ) ১৮৯৩ চনৰ সভাই ৰাজকীয় কানি আয়োগৰ ওচৰত এখন স্মাৰক পত্র দাখিল কৰি অসমৰ পৰা কানিৰ প্রচলন ক্রমান্বয়ে উঠাই দিবলৈ অনুৰোধ কৰিছিল।

১৯০৫ চনৰ বংগ ভংগৰ বিৰোধিতা কৰিছিল। পূৰ্ববংগৰ সৈতে অসমক সাঙুঁৰিলে অসমৰ ভৱিষ্যত বিপদাপন্ন হ'ব বুলি মতামত আগবঢ়াইছিল। পিছলৈ অৱশ্যে চৰকাৰৰ প্ৰৰোচনাত পৰি সভাপতি জগন্নাথ বৰুৱাই বংগ ভংগৰ বিৰোধী মনোভাৱ ত্যাগ কৰিছিল। এই সভাই নতুন প্ৰদেশত অসমীয়াৰ অধিকাৰ সংৰক্ষণ কৰিবলৈ দাবী জনাইছিল।

৫। আছাম এছ'চিয়েচনৰ ব্রিটিছ শাসনাধীন অসমত সমাজ সংস্কাৰৰ বাবে আগবঢ়োৱা অৱদান সম্পর্কে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯০৩ চনত জন্মলাভ কৰা আছাম এছ'চিয়েচনে ৰাইজৰ মুখ্য পত্ৰ হিচাপে পোনপ্ৰথমে সেৱা আগবঢ়াইছিল। অৱশ্যে ই প্ৰত্যক্ষ আৰু সক্ৰিয়ভাৱে চৰকাৰৰ বিৰুদ্ধে কাৰ্যপন্থা লোৱা নাছিল। ই শান্তিপূৰ্ণভাৱে, সাংবিধানিক আৰু প্ৰশাসনীয় সংস্কাৰৰ মাধ্যমেৰে ৰাইজৰ সমস্যাসমূহ সমাধানৰ দাবী তুলিছিল। আছাম এছ'চিয়েচনৰ কেইবা জনো সদস্য আইন সভাৰ সদস্য হোৱাৰ বাবে সভাৰ প্ৰস্তাৱসমূহ আইনসভাত কাৰ্যকৰী কৰাৰ সুবিধা পাইছিল। এই অনুষ্ঠানটোৰ উল্লেখযোগ্য কাম-কাজসমূহ হৈছে —

(i) পৌৰসভাত চৰকাৰী বিষয়া আৰু লোকেল ৱ'র্ডত চাহ খেতিয়ক আধিপত্যৰ বিৰোধিতা কৰিছিল।

(ii) আছাম এছ'চিয়েচনে স্থানীয় সমিতিসমূহৰ গণতান্ত্রিককৰণৰ দাবী উত্থাপন কৰিছিল।

(iii) বৰ্ধিত কৰ, চৰকাৰৰ শুল্ক ব্যৱস্থা আৰু কানিৰ প্রচলনৰ বিৰোধিতা কৰিছিল।

(iv) শিক্ষাৰ দিশত অসমক আগুৱাই নিবলৈ চেষ্টা কৰিছিল। সেই উদ্দেশ্যে আছাম এছ'চিয়েচনে কটন কলেজত অসমীয়া শিক্ষকৰ নিযুক্তি আৰু অসমত কাৰিকৰী শিক্ষানুষ্ঠান স্থাপনৰ হকে মাত মাতিছিল।

(v) ১৯১৮ চনৰ মন্টোগ'- ছেমছফর্ডৰ ৰিপর্টৰ আধাৰত প্রস্তাৰিত শাসন সংস্কাৰত অসমকো সামৰি লোৱাৰ বাবে দাবী তুলিছিল। সেই উদ্দেশ্যে দাবী উত্থাপনৰ বাবে সাতজনীয়া এটা সঁজাতী দল কলিকতালৈ গৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

পৰৱৰ্তী সময়ত নৱীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱাই সেই দাবীলৈ লণ্ডনলৈও গৈছিল। আছাম এছ'চিয়েচনৰ হেচাঁতে অসম মন্টেগ' ছেমচফৰ্ড সংস্কাৰ আঁচনিৰ অধীনত আহিল।

(vi) ১৯২০ চনত অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে দাবী তুলিছিল।

(vii) ১৯২১ চনৰ অসহযোগ আন্দোলনত আছাম এছ'চিয়েচনে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল।

(viii) বংগ বিভাজনৰ বিৰোধিতা কৰি অসমক পূৰ বংগৰ পৰা পৃথক কৰিবলৈ ১৯০৭ চনত আছাম এছ'চিয়েচনে চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিছিল।

(ix) বিধানসভাত প্ৰতিনিধিত্বৰ দাবী তুলিছিল।

৬। অসম প্রদেশ কংগ্রেছ কমিটিৰ জন্ম আৰু মুখ্য ভূমিকা সম্পৰ্কে সংক্ষিপ্ত বিৱৰণ দিয়া।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসম প্ৰদেশত কংগ্ৰেছ কমিটিৰ জন্মঃ

ভাৰতীয় জাতীয় কংগ্ৰেছে ১৮৮৫ চনত জন্ম লাভ কৰিছিল। ভাৰতৰ অন্য ৰাজ্যৰ দৰে অসমতো বিভিন্ন অনুষ্ঠানৰ পৰা অহা প্ৰতিনিধিসকলে জাতীয় কংগ্ৰেছৰ অধিৱেশনসমূহত অংশ গ্ৰহণ কৰি আহিছিল।

অসমত আছাম এছ'চিয়েচনে কংগ্ৰেছৰ লগত বিলীন হৈ সৰ্বভাৰতীয় ৰাজনীতিত অংশ ল'বলৈ অগ্ৰসৰ হৈছিল। আছাম এছ'চিয়েচনৰ কিছুসংখ্যক সদস্যই প্ৰথমৰে পৰা অনুষ্ঠানটোক কংগ্ৰেছৰ প্ৰাদেশিক কমিটিলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰাৰ বিপৰীতে আন একাংশই তাৰ বিৰোধিতা কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

তথাপিও সেই সময়ত কংগ্রেছ নীতি আদর্শ আৰু কার্যপন্থাই মধ্যবিত্ত অসমীয়া সকলক বাৰুকৈ আকর্ষিত কৰিছিল।

আছাম এছ'চিয়েচনক কংগ্রেছ সংগঠনৰ ৰূপ দিবলৈ ১৮ এপ্রিল ১৯২১ চনত ছৰিলাল উপাধ্যায়ৰ পৌৰহিত্যত এখন বিশেষ অভিৰেশন অনুষ্ঠিত কৰা হয়। সেই বছৰৰে জুন মাহত নৱীন চন্দ্র বৰদলৈ, ছৰিলাল উপাধ্যায়, কৃষ্ণকান্ত ভট্টাচার্যৰ উদ্যোগত অসম প্রদেশ কংগ্রেছ কমিটি গঠন কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অসম প্ৰদেশত কংগ্ৰেছ কমিটিৰ ভূমিকাঃ

১৯২০ চনত নাগপুৰত অনুষ্ঠিত হোৱা জাতীয় কংগ্ৰেছৰ অধিৱেশনত ভাষাৰ ওপৰত ভিত্তি কৰি ৰাজ্য পুনৰ গঠনৰ প্ৰস্তাৱ গৃহীত হৈছিল। কংগ্ৰেছ এই নীতিয়ে অসমৰ জাতীয়তাবাদীসকলক বাৰুকৈ উৎসাহিত কৰিছিল। ১৯২১ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ তত্ত্বাৱধানত মহাত্মা গান্ধীক অসমত অসহযোগ আন্দোলনৰ প্ৰচাৰ চলাবলৈ আমন্ত্ৰণ জনোৱা হৈছিল। সেই বছৰৰ আগষ্ট মাহত মহাত্মা গান্ধীৰ অসম ভ্ৰমণে নৱগঠিত কংগ্ৰেছ কমিটিখনৰ মাজত এক আলোড়নৰ সৃষ্টি কৰিলে।

ফলত আন্দোলনটো অসমত চৌদিশে বিয়পি পৰিল। অসম প্রদেশ কংগ্রেছ কমিটিয়ে ১৯২৬ চনত পাণ্ডুত জাতীয় কংগ্রেছৰ ৪১ তম বার্ষিক অধিৱেশন আয়োজন কৰিছিল।

১৯৪৬ চনৰ সাধাৰণ নির্বাচনত বৃহৎ জয়েৰে কংগ্রেছে সংখ্যা গৰিষ্ঠতা লাভ কৰিছিল আৰু লোকপ্রিয় গোপীনাথ বৰদলৈ অসম প্রদেশৰ প্রথমজন প্রধানমন্ত্রীৰূপে নির্বাচিত হৈছিল।

যেতিয়া কেবিনেট মিছনে অসমক পূৰ্ব বংগৰ লগত সন্নিৱিষ্ট কৰি গোট-গ (Group-C) গঠন কৰিব বিচাৰিছিল, সেই সময়ত গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমত ইয়াৰ বিৰুদ্ধে তীব্র প্রতিবাদ হৈছিল

আৰু সেই প্ৰতিবাদক মহাত্মা গান্ধীয়েও সমৰ্থন জনাইছিল। তাৰে পৰিপ্ৰেক্ষিতত অসম পূৰ বংগৰ লগত চামিল নোহোৱাকৈ থাকিল।

